# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 14-02-2025
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ৱাশ্বিংটন ডিচিত আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পক সাক্ষাৎ কৰে।

২। মণিপুৰত ৰাষ্ট্ৰপতিৰ শাসন বলৱৎ কৰা হৈছে।

৩। কেন্দ্ৰীয় মন্ত্ৰী ড° জিতেন্দ্ৰ সিঙৰ অধ্যক্ষতাত কালি নতুন দিল্লীত সৰ্বভাৰতীয় পেঞ্চন আদালতৰ আয়োজন কৰা হয়।

৪। টেন্সপাৰেংচি ইণ্টাৰনেচনেল নামৰ এটা সংস্থাৰ প্ৰতিবেদনত পাকিস্তানক বিশ্বৰ দুৰ্নীতিগ্ৰস্ত দেশসমূহৰ ভিতৰত অন্যতম বুলি কোৱা হৈছে।

*আৰু*

৫। উত্তৰাখণ্ডত অনুষ্ঠিত ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া সমাৰোহৰ আজি সামৰণি পৰিব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ৱাশ্বিংটন ডিচিৰ হোৱাইট হাউচত আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পক সাক্ষাৎ কৰে। সাক্ষাৎকালত প্ৰধানমন্ত্ৰীয়ে কয়, যে তেওঁ ট্ৰাম্পৰ সৈতে ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ মাজৰ কৌশলগত সহযোগিতা আগুৱাই লৈ যাব। তেওঁ কয়, যে শ্ৰীট্ৰাম্পে উভয় দেশৰ মাজত সম্পৰ্ক সৰ্বাত্মক সম্পৰ্কলৈ উন্নীত কৰাৰ ক্ষেত্ৰত যথেষ্ট আৱদান আগবঢ়াইছে। প্ৰধানমন্ত্ৰীয়ে এই সন্দৰ্ভত টেক্সাচৰ হাউদী মোদী আৰু গুজৰাটৰ নমস্তে ট্ৰাম্প অনুষ্ঠানৰ বিষয়ে স্মৰণ কৰে। তেওঁ লগতে আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি নিৰ্বাচনত লাভ কৰা ঐতিহাসিক বিজয়ৰ বাবে ডোনাল্ড ট্ৰাম্পক অভিনন্দন জ্ঞাপন কৰে। শ্ৰীমোদীয়ে কয়, যে তেওঁলোকে দুয়োখন দেশৰ প্ৰগতি আৰু সমৃদ্ধি সুনিশ্চিত কৰাৰ বাবে কাম কৰি যাব। বৰ্তমানৰ সময় যুদ্ধৰ সময় নহয় বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে সকলো বিষয় কূটনৈতিকভাৱে সমাধান কৰা উচিত।

ৰাষ্ট্ৰপতি ট্ৰাম্পে শান্তি ঘূৰাই অনাৰ বাবে পদক্ষেপ লোৱাক লৈ শ্ৰীমোদীয়ে সন্তুষ্টি প্ৰকাশ কৰে। তেওঁ কয়, যে বিশ্বই এই ক্ষেত্ৰত ভাৰতৰ নিৰপেক্ষ ৰাষ্ট্ৰ বুলি গণ্য কৰে যদিও ভাৰত নিৰপেক্ষ নহয় বৰং সদায় শান্তিৰ পক্ষত থিয় দি অহা এখন ৰাষ্ট্ৰহে।

সাক্ষাৎকালত আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে কয়, যে শ্ৰীমোদী তেওঁৰ পুৰণি বন্ধু আৰু এগৰাকী মহান নেতা। তেওঁ কয়, যে ভাৰতে আমেৰিকাৰ পৰা তেল আৰু গেছ ক্ৰয় কৰিব। শ্ৰীট্ৰাম্পে ৰাষ্ট্ৰপতি হিচাপে দ্বিতীয়বাৰৰ বাবে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত এয়া হৈছে প্ৰধানমন্ত্ৰী মোদীৰ প্ৰথম আমেৰিকা ভ্ৰমণ।

০০০০০

মণিপুৰত ৰাষ্ট্ৰপতিৰ শাসন বলৱৎ কৰা হৈছে। মুখ্যমন্ত্ৰী এন বীৰেণ সিঙে পদ ত্যাগ কৰাৰ পাছত বিজেপিয়ে পুনৰ চৰকাৰ ব্যৱস্থা গ্ৰহণ নকৰাৰ পৰিপ্ৰেক্ষিতত ৰাজ্যপালৰ প্ৰতিবেদনৰ ভিত্তিত ৰাজ্যখনত ৰাষ্ট্ৰপতিৰ শাসন বলৱৎ কৰা হৈছে। গৃহ মন্ত্ৰালয়ে এই সন্দৰ্ভত আনুষ্ঠানিক অধিসূচনা জাৰি কৰিছে। অধিসূচনাত এই বুলি কোৱা হৈছে যে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে মণিপুৰৰ ৰাজ্যপালৰ পৰা এখন প্ৰতিবেদন লাভ কৰিছিল আৰু এই প্ৰতিবেদন চালি-জাৰি চাই সংবিধানৰ ৩৫৬ অনুচ্ছেদ অনুসৰি ৰাজ্যখনত ৰাষ্ট্ৰপতিৰ শাসন বলৱৎ কৰা হৈছে। ৰাজ্যখনৰ বিধানসভা সাময়িকভাৱে অকামিলা কৰি ৰখা হৈছে বুলি গৃহ মন্ত্ৰালয়ৰ অধিসূচনাত প্ৰকাশ কৰা হৈছে।

০০০০০

কেন্দ্ৰীয় মন্ত্ৰী ড° জিতেন্দ্ৰ সিঙৰ অধ্যক্ষতাত কালি নতুন দিল্লীত সৰ্বভাৰতীয় পেঞ্চন আদালতৰ আয়োজন কৰা হয়। এই উপলক্ষে মন্ত্ৰীগৰাকীয়ে দেশৰ বিভিন্ন ৰাজ্যৰ পেঞ্চনাৰসকলৰ সৈতে মত বিনিময় কৰে আৰু ঠাইতে তেওঁলোকৰ পেঞ্চন সম্পৰ্কীয় অভিযোগসমূহ সমাধান কৰাৰ ব্যৱস্থা গ্ৰহণ কৰে। শ্ৰীসিঙে পেঞ্চনাৰসকলৰ অভিযোগসমূহ সমাধান নিশ্চিত কৰি তেওঁলোকৰ জীৱন ধাৰণ সূচল কৰি তোলাৰ ক্ষেত্ৰত থকা চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাক দোহাৰে।

০০০০০

এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলনৰ সৈতে সংগতিৰ ৰাখি অসম চৰকাৰে অহা ১৭ ফেব্ৰুৱাৰীৰ দিনৰ চাৰে ১১ বজাত মহাকাশ আৰু ভূস্থানিক প্ৰযুক্তিৰ বিষয়ত এখন অনলাইন কুইজ প্ৰতিযোগিতাৰ আয়োজন কৰিছে। এই প্ৰতিযোগিতাত অংশগ্ৰহণৰ বাবে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ উদ্ভাৱক, গৱেষক, ছাত্ৰ-ছাত্ৰী আৰু উদ্যোগীসকলক আহ্বান জনোৱা হৈছে। ইয়াৰ বাবে ইতিমধ্যে যোৱা ১০ ফেব্ৰুৱাৰীত অনলাইন পঞ্জীয়ন আৰম্ভ হৈছে আৰু ১৬ ফেব্ৰুৱাৰী পঞ্জীয়নৰ অন্তিম দিন। আগ্ৰহীসকলে এই অনলাইন কুইজ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলৈ www.advantageassam.assam.gov.in ৱেবছাইটত গৈ পঞ্জীয়ন কৰিব পাৰিব। এই প্ৰতিযোগিতাত বিজয়ী প্ৰথম ৩ গৰাকী প্ৰতিযোগীক নগদ ধনেৰে পুৰস্কৃত কৰা হ'ব। বচা বচা ১০০ গৰাকী প্ৰতিযোগীয়ে এডভাণ্টেজ আছামৰ ভূ-স্থানিক সত্ৰত অংশগ্ৰহণৰ বাবে অহা-যোৱা আৰু থকাৰ সুবিধা লাভ কৰিব।

০০০০০

ট্ৰেন্সপাৰেন্সি ইণ্টাৰনেচনেল নামৰ এটা সংস্থাৰ প্ৰতিবেদনত পাকিস্তানক বিশ্বৰ দুৰ্নীতিগ্ৰস্ত দেশসমূহৰ ভিতৰত অন্যতম বুলি কোৱা হৈছে। পাকিস্তানত সকলো চৰকাৰী খণ্ড, ন্যায়পালিকা আৰু সমাজত এই বিভীষিকা শিপাই থকা বুলি প্ৰতিবেদনত উল্লেখ কৰা হৈছে। এই সপ্তাহৰ আগভাগত প্ৰকাশ কৰা এই প্ৰতিবেদন অনুসৰি পাকিস্তান দুৰ্নীতি সচেতনতা সূচাংকত ১৮০ খন দেশৰ ভিতৰত ১৩৫ সংখ্যক স্থানত আছে। উল্লেখযোগ্য যে, পাকিস্তানৰ নিৰ্বাচন আয়োগে ২০২২ চনত প্ৰাক্তন প্ৰধানমন্ত্ৰী ইমৰাণ খানক সাংসদ পদৰ বাবে অযোগ্য ঘোষণা কৰিছিল আৰু দুৰ্নীতিত লিপ্ত থকাৰ অভিযোগত আইনী ব্যৱস্থা গ্ৰহণ কৰিছিল। দুবছৰ পাছত শ্বৰীফ চৰকাৰৰ বিৰুদ্ধেও একে ধৰণৰ অভিযোগ উত্থাপিত হৈছিল। গভীৰ অৰ্থনৈতিক সংকট দেশখনৰ বৰ্তমান পৰিস্থিতিৰ প্ৰধান কাৰক বুলি কোৱা হৈছে। দেশখনত মুদ্ৰাস্ফিতি বৃদ্ধি পোৱাৰ বাবে জনসাধাৰণে স্বাস্থ্যসেৱাকে ধৰি বুনিয়াদী আৱশ্যকতা পূৰণৰ বাবে সংগ্ৰাম কৰিবলগীয়া হৈছে। আন্তঃৰাষ্ট্ৰীয় সংস্থা আৰু মৈত্ৰী ৰাষ্ট্ৰসমূহৰ পৰা ধাৰে লোৱা ধনেৰে দেশখনৰ অৰ্থব্যৱস্থা বৰ্তি আছে।

00000

মহাকুম্ভ মেলাৰ বা-বাতৰি প্ৰচাৰ কৰা কুম্ভাৱাণী কেন্দ্ৰই সত্য আৰু নিৰ্ভৰযোগ্য তথ্য প্ৰদান কৰাৰ ক্ষেত্ৰত থকা প্ৰসাৰ ভাৰতীৰ উদ্দেশ্যক প্ৰতিফলিত কৰিছে বুলি প্ৰসাৰ ভাৰতীৰ অধ্যক্ষ নৱনীত ছেহগালে প্ৰকাশ কৰিছে। প্ৰয়াগৰাজৰ কুম্ভৱাণী ৰেডিঅ' কেন্দ্ৰত কালি আয়োজিত এটা অনুষ্ঠানত ভাষণ দি শ্ৰীছেহগালে এই কথা প্ৰকাশ কৰে। তেওঁ কুম্ভৱাণী কেন্দ্ৰৰ কাম-কাজৰ শলাগ লয় আৰু কয় যে, মহাকুম্ভ মেলাৰ পোনপটীয়া সম্প্ৰচাৰ কৰাৰ ক্ষেত্ৰত ই এটা গুৰুত্বপূৰ্ণ কেন্দ্ৰ হিচাপে পৰিগণিত হৈছে। শ্ৰীছেহগালে চেক্টৰ ফ'ৰৰ নেনী এৰিয়েল সংগত স্থাপন কৰা আকাশবাণী আৰু দূৰদৰ্শন কেন্দ্ৰৰ ষ্টুডিঅ' সমূহো নিৰীক্ষণ কৰে। তেওঁ এই ষ্টুডিঅ'সমূহৰ কাম-কাজৰ পৰ্যালোচনা কৰাৰ লগতে মহাকুম্ভ মেলাৰ বিভিন্ন দিশৰ পুংখানুপংখ প্ৰচাৰ নিশ্চিত কৰাত গুৰুত্ব আৰোপ কৰে। তেওঁ প্ৰসাৰ ভাৰতীয়ে আকাশবাণী, কুম্ভৱাণী, দূৰদৰ্শন আৰু ৰেভছ অ টি টিৰ মাধ্যমেৰে  প্ৰায় ৭৫ৰ পৰা ১০০ কোটি জনসাধাৰণক সামৰি লৈছে বুলি প্ৰকাশ কৰিছে।

00000

জাৰ্মানীৰ মিউনিখৰ চেণ্ট্ৰেল ৰে'ল ষ্টেচনৰ সমীপত কালি এখন বাহনে একাংশ লোকক মহতিয়াই নিয়াৰ ফলত কমেও ২৮ গৰাকী লোক আহত হয়। মিউনিখৰ মেয়ৰে জনোৱা মতে আহতসকলক ভিতৰত শিশুও আছে। স্থানীয় সংবাদ মাধ্যমৰ সূত্ৰই প্ৰকাশ কৰা মতে শ্ৰমিক সংঘৰ লোকসকলে ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰি থকাৰ সময়তে এই দূৰ্ঘটনাটো সংঘটিত হয়। বাহনখনৰ চালকজনক ইতিমধ্যে আটক কৰা হৈছে। বিশ্বৰ শীৰ্ষ ৰাজনৈতিক নেতাসকল সন্মানীয় মিউনিখ নিৰাপত্তা সন্মিলনৰ বাবে সমবেত হোৱাৰ এদিন পূৰ্বে এই দূৰ্ঘটনাতো সংঘটিত হয়।

00000

উত্তৰাখণ্ডত অনুষ্ঠিত ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া সমাৰোহৰ আজি সামৰণি পৰিব। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি হলদ্বানিত  হ'বলগীয়া সামৰণি অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। কেন্দ্ৰীয় ক্ৰীড়ামন্ত্ৰী মনসুখ মন্দাভিয়া, উত্তৰাখণ্ডৰ মুখ্যমন্ত্ৰী পুস্কৰ সিং ধামী, মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড চাংমা, কেন্দ্ৰীয় পথ পৰিবহণ ৰাজ্যমন্ত্ৰী অজয় টামটা আৰু ভাৰতীয় অলিম্পিক সংস্থাৰ সভাপতি তথা সাংসদ পি টি ঊষা প্ৰমুখ্যে ভালেসংখ্যক ব্যক্তি সামৰণি অনুষ্ঠানত উপস্থিত থকাৰ কথা। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যোৱা ২৮ জানুৱাৰীত ডেৰাডুনৰ মহাৰাণা প্ৰতাপ ক্ৰীড়া মহাবিদ্যালয়ত এই সমাৰোহৰ শুভ উদ্বোধন কৰিছিল।

00000

নৰ্থ ইষ্ট ইউনাইটেড ফুটবল ক্লাবে কালি জামছেদপুৰত অনুষ্ঠিত আই এছ এল ফুটবল প্ৰতিযোগিতাৰ এখন খেলত জামছেদপুৰ ফুটবল ক্লাবক ২-০ গলত পৰাস্ত কৰে। নৰ্থ ইষ্ট ইউনাইটেডে আই এছ এল ফুটবল প্ৰতিযোগিতাৰ ইতিহাসত দুয়োটা দলৰ মাজত হোৱা ৬ খন খেলৰ ভিতৰত এইবাৰ প্ৰথমবাৰৰ বাবে জয়লাভ কৰিছে। নৰ্থ ইষ্ট ইউনাইটেড এতিয়া ২১ ফেব্ৰুৱাৰীত শ্বিলঙত হ'বলগীয়া এখন খেলত বেংগালুৰু ফুটবল ক্লাবৰ সন্মুখীন হ'ব।

ইপিনে, প্ৰতিযোগিতাত আজি ভূৱনেশ্বৰত হ'বলগীয়া এখন খেলত ওড়িশা ফণ্টিয়াৰ ক্লাৰ হায়দৰাবাদ ফ্লণ্টিয়াৰ ক্লাবৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

00000

দিল্লী অপেন টেনিছ প্ৰতিযোগিতাত ভাৰতৰ নিকি পুন্নাচা আৰু জিম্বাব্ৱেৰ কার্টনি লক পুৰুষৰ ডাবলছ্ শাখাৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। আজি দুপৰীয়া হ'বলগীয়া ছেমি ফাইনেলত যুটিটোৱে ব্ৰিটেন ডেনমার্কৰ জে ক্লার্ক আৰু জোহানছ্ ইনজিলড্‌চেনৰ সন্মুখীন হ'ব। ভাৰত জিম্বাব্ৱেৰ যুটিটোৱে কোৱাৰ্টাৰ ফাইনেলত জাপানৰ প্ৰতিদ্বন্দ্বীক ৬-৩, ২-৬, ১০-৫ ছেটত পৰাস্ত কৰে।

০০০০০

চলিত বৰ্ষৰ মহিলাৰ প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ তৃতীয় সংস্কৰণৰ প্ৰথমখন খেলত আজি যোৱাবাৰৰ বিজয়ী ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰু গুজৰাট জায়েণ্টছৰ সন্মুখীন হ'ব। বদডোৰাত হ'বলগীয়া খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। অহা ১৫ মাৰ্চৰ প্ৰতিযোগিতাৰ সামৰণি পৰিব। প্ৰতিযোগিতাত দেলহী কেপিটেলছ, গুজৰাট জায়েণ্টছ, ইউ পি ৱাৰিয়াৰ্চ, মুম্বাই ইণ্ডিয়ানছ আৰু ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৱে ভাগ লৈছে। যোৱাবাৰৰ বিজয়ী ৰয়েল ছেলেঞ্জাৰ্ছ বাংগালুৰুৱে এইবাৰো তেওঁলোকৰ খিতাপ অক্ষুন্ন ৰখাৰ প্ৰয়াস কৰিব।

০০০০০

**সমাপ্ত**